মনোৰঞ্জন

অস্কাৰৰ দৌৰত ‘ৰামায়ণ’: শ্ৰেষ্ঠ ভিজুৱেল ইফেক্টছৰ শীৰ্ষ ২০খন ছবিৰ তালিকাত স্থান লাভ

৯৯সংখ্যক অস্কাৰৰ শ্ৰেষ্ঠ ভিজুৱেল ইফেক্টছ্ শাখাৰ পৰৱৰ্তী পৰ্যায়ৰ ভোটিঙৰ বাবে নিৰ্বাচিত ২০খন ছবিৰ তালিকাত স্থান লাভ কৰিছে নীতেশ তিৱাৰীৰ ‘ৰামায়ণে’।

প্ৰকাশ: ২৫ নৱেম্বৰ ২০২৬, আবেলি ৪:১৬



মুক্তিৰ পূৰ্বেই আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ জগতত ব্যাপক চৰ্চা লাভ কৰিছে নীতেশ তিৱাৰীৰ পৰিচালনাত নিৰ্মিত ছবি ‘ৰামায়ণে’। ৯৯সংখ্যক একাডেমী বঁটা অৰ্থাৎ অস্কাৰৰ শ্ৰেষ্ঠ ভিজুৱেল ইফেক্টছ শাখাৰ পৰৱৰ্তী পৰ্যায়ৰ ভোটিঙৰ বাবে নিৰ্বাচিত ২০খন ছবিৰ তালিকাত স্থান পাইছে ৰণবীৰ কাপুৰ, ছাই পল্লৱী আৰু য়শ অভিনীত ছবিখনে। অস্কাৰৰ ভিজুৱেল ইফেক্টছ শাখাৰ পৰৱৰ্তী পৰ্যায়ৰ ভোটিঙৰ বাবে একাডেমীৰ সংশ্লিষ্ট শাখাই ২০খন ছবি নিৰ্বাচন কৰিছে। অৱশ্যে একাডেমীয়ে আনুষ্ঠানিকভাৱে এই শীৰ্ষ ২০খন ছবিৰ তালিকা ৰাজহুৱা কৰা নাই। নিৰ্বাচিত ছবিসমূহৰ প্ৰযোজকসকলক পৰৱৰ্তী পৰ্যায়লৈ অগ্ৰসৰ হোৱাৰ কথা ইতিমধ্যে অৱগত কৰা হৈছে আৰু প্ৰযোজকসকলৰ তৰফৰ পৰাও এই তথ্য নিশ্চিত কৰা হৈছে।

‘ৰামায়ণ’ৰ বাবে এই সাফল্য বিশেষভাৱে তাৎপৰ্যপূৰ্ণ হিচাপে বিবেচিত হৈছে। কিয়নো শীৰ্ষ ২০খন ছবিৰ তালিকাত হলিউডৰ কেইবাখনো বৃহৎ বাজেটৰ ছবি অন্তৰ্ভুক্ত হৈ আছে। ইয়াৰ ভিতৰত আছে ক্ৰিষ্টোফাৰ

নোলানৰ ‘দ্য অডিচী’, ডেনিছ ভিলেনুভৰ ‘ডুন: পার্ট থ্রী’, ‘এভেঞ্জার্ছ: ডুমছডে’, ‘স্পাইডাৰ-মেন: ব্রেণ্ড নিউ ডে’, ‘ছুপাৰগার্ল’ আৰু ষ্টিভেন স্পীলবার্গৰ ‘ডিছক্লজাৰ ডে’। তদুপৰি ‘প্রজেক্ট হেইল মেৰী’, ‘গডজিলা মাইনাছ জিৰো’ আৰু ‘ষ্টাৰ ৱার্ছ: দ্য মেণ্ডালৰিয়ান এণ্ড গ্রগূ’ শীর্ষক ছবিকেইখনেও এই তালিকাত স্থান লাভ কৰিছে।

ইয়াৰ পূর্বে এছ এছ ৰাজামৌলীৰ ‘আৰ আৰ আৰ’ ছবিয়েও অস্কাৰৰ শ্রেষ্ঠ ভিজুৱেল ইফেক্টছ শাখাৰ শীর্ষ ২০খন ছবিৰ তালিকাত স্থান লাভ কৰিছিল। অৱশ্যে ছবিখনে এই শাখাত চূড়ান্ত মনোনয়ন লাভ কৰিবলৈ সক্ষম হোৱা নাছিল। পিছে ছবিখনৰ ‘নাটু নাটু’ গীতটোৱে ৯৫সংখ্যক একাডেমী বঁটাত শ্রেষ্ঠ মৌলিক গীতৰ সন্মান লাভ কৰি ইতিহাস ৰচিছিল।

আনহাতে, ‘ৰামায়ণে’ ৩২সংখ্যক ক্রিটিক্স চয়েছ এৱার্ডছৰ চমু তালিকাতো দুটা শাখাত স্থান লাভ কৰিছে। শ্রেষ্ঠ ভিজুৱেল ইফেক্টছ আৰু শ্রেষ্ঠ ষ্টাণ্ট ডিজাইন শাখাত ছবিখনে এই সাফল্য অর্জন কৰে।

৯৯সংখ্যক অস্কাৰৰ প্রাৰম্ভিক ভোটগ্রহণ ৭ ডিচেম্বৰৰ পৰা ১১ ডিচেম্বৰলৈ অনুষ্ঠিত হ'ব। ১৫ ডিচেম্বৰত একাডেমীয়ে আনুষ্ঠানিকভাৱে চমু তালিকাখন প্রকাশ কৰিব। ইয়াৰ পিছত চূড়ান্ত মনোনয়নৰ তালিকা ২০২৭ চনৰ ২১ জানুৱাৰীত ঘোষণা কৰা হ'ব। এতিয়া ‘ৰামায়ণে’ শীর্ষ ২০ৰ পৰা অগ্রগতি লাভ কৰি চূড়ান্ত মনোনয়নত স্থান পাবলৈ সক্ষম হয়নে নহয়, তালৈকে সকলোৱে আগ্রহেৰে বাট চাইছে।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/6272/ramayana-movie-oscars-visual-effects-top-20